জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

নং ঃ ৫৭৩/২০২০

**উচ্চ আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ৫,১৯০ গৰাকী নিয়মীয়া শিক্ষকৰ নিযুক্তিপত্ৰ প্ৰদান প্ৰক্ৰিয়াৰ শুভাৰম্ভণি কৰিলে মুখ্যমন্ত্ৰীয়ে**

# সাম্প্ৰতিক বিশ্বায়নৰ যুগৰ সৈতে সংগতি ৰাখি 'স্মাৰ্ট চিটিজেন' গঢ় দিয়াৰ বাবে শিক্ষকসকল দৃঢ়তাৰে সংকল্পবদ্ধ হ'ব লাগিব ঃ মুখ্যমন্ত্ৰী

## প্ৰজ্ঞা আৰু দক্ষতাৰে বিশ্ব বিজয় আমাৰ শিক্ষা ব্যৱস্থাৰ লক্ষ্য হ'ব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৮ আগষ্ট ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ চৌহদত আয়োজিত এক অনুষ্ঠানত ৰাজ্যখনৰ উচ্চ আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ নিয়মীয়া পদত নিযুক্তিপ্ৰাপ্ত ৫,১৯০ গৰাকী শিক্ষকলৈ নিযুক্তিপত্ৰ বিতৰণী প্ৰক্ৰিয়াৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। উল্লেখ্য যে আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে ৩ গৰাকী নৱনিযুক্ত শিক্ষকক আনুষ্ঠানিকভাৱে নিযুক্তিপত্ৰ প্ৰদান কৰাৰ লগতে আন শিক্ষকসকলে অনলাইনযোগে নিযুক্তিপত্ৰ ডাউনলোড কৰিব পৰা এক পৰ্টেলো শুভাৰম্ভ কৰে।

শ্ৰীমন্ত শংকৰদেৱৰ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত এই বিশেষ অনুষ্ঠানত নৱনিযুক্ত শিক্ষকসকলক উদ্দেশ্যি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসমৰ জনসাধাৰণে যাতে দেশৰ ১৩০ কোটি জনতাৰ মাজত মৰ্যাদা সহকাৰে শিৰ উন্নত কৰি জীৱন নিৰ্বাহ কৰিব পাৰে তাৰ বাবে আমি শিক্ষাক প্ৰাধান্য দিবই লাগিব। এখন সুস্থ-সবল সমাজ গঢ়াৰ বাবে কৰ্তব্যত যোগদান কৰাৰ দিনৰে পৰাই শিক্ষকসকল প্ৰতিজ্ঞাবদ্ধ হ'ব লাগিব। শিক্ষকসকলক সমাজে প্ৰদান কৰা শ্ৰদ্ধা আৰু মৰ্যাদাৰ সন্মান অটুট ৰখাৰ দিশত তেওঁলোক সদা সচেষ্ট হ'ব লাগিব। প্ৰাথমিক পৰ্যায়ৰ শিক্ষকসকলৰ সন্মুখৰ প্ৰত্যাহ্বান হিমালয়সদৃশ বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁলোক হ'ল ভৱিষ্যতৰ সমাজখনৰ বুনিয়াদ গঢ়োঁতা। মাথোঁ পাঠ্যপুথিত সন্নিৱিষ্ট পাঠ প্ৰদান কৰিলেই শিক্ষকৰ দায়িত্ব সম্পূৰ্ণ নহয়, শিক্ষকে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ লগত বাৰ্তালাপ কৰি তেওঁলোকৰ মনৰ অৱস্থাৰ বুজ ল'ব লাগিব, তেওঁলোকৰ সমস্যাৰো বুজ ল'ব লাগিব। শিক্ষকৰ দায়িত্ব মাথোঁ বিদ্যালয়ৰ চাৰিবেৰৰ ভিতৰতেই সীমাৱদ্ধ নহয়, তাতকৈ অতি ব্যাপক। ছাত্ৰ-শিক্ষকৰ সম্পৰ্ক পূৰ্বৰ তুলনাত বৰ্তমানে কিছু ম্লান পৰাত উদ্বেগ প্ৰকাশ কৰি তেওঁ কয় যে সমাজৰ দৃষ্টিত শিক্ষক-শিক্ষয়িত্ৰীৰ মৰ্যাদা লাঘৱ হ'লে সমাজ ক্ষতিগ্ৰস্ত হ'ব। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই 'জিলিকাব লুইতৰে পাৰ' শীৰ্ষক গীতত উল্লেখ কৰাৰ দৰে আজিৰ শিক্ষকে লুইতৰ পাৰ জিলিকাব পৰাকৈ মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰী নিৰ্মাণৰ লক্ষ্য ল'ব লাগিব। প্ৰজ্ঞা আৰু দক্ষতাৰে বিশ্ব বিজয় আমাৰ শিক্ষা ব্যৱস্থাৰ লক্ষ্য হ'ব লাগিব। সাম্প্ৰতিক প্ৰতিযোগিতামুখী তথা বিশ্বায়নৰ যুগৰ সৈতে সংগতি ৰাখি 'স্মাৰ্ট চিটিজেন' গঢ় দিয়াৰ বাবে আজি নিযুক্তিপ্ৰাপ্ত প্ৰতিগৰাকী শিক্ষকেই দৃঢ় সংকল্পৱদ্ধ হ'ব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

অনুষ্ঠানত ভাষণ প্ৰদান কৰি শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ৰাজ্যখনৰ প্ৰতিগৰাকী দুখীয়া ছাত্ৰ-ছাত্ৰীক শিক্ষাৰ অধিকাৰ উপভোগ কৰাৰ সুযোগ প্ৰদান কৰা আৰু সকলোধৰণৰ প্ৰতিবন্ধকতা নেওচি সকলোৰে বাবে শিক্ষা সহজলভ্য কৰি তোলাৰ বাবে চৰকাৰে নিৰন্তৰ প্ৰয়াস অব্যাহত ৰাখিছে। এটা সময়ত ৰাজ্যৰ শিক্ষক নিযুক্তিৰ প্ৰক্ৰিয়াটো ৰাজনৈতিক নেতা-কৰ্মী আৰু বিষয়া-কৰ্মচাৰীৰ স্বজন-তোষণৰ দ্বাৰা পৰিচালিত হৈছিল বুলি মন্তব্য কৰি মন্ত্ৰীগৰাকীয়ে কয় যে বিগত প্ৰায় ১০ বছৰত অসমত শিক্ষা আৰু ৰাজনীতিৰ মাজত এখন অদৃশ্য প্ৰাচীৰ নিৰ্মাণ হৈছে। শিক্ষকৰ যোগ্যতা নিৰূপণকাৰী পৰীক্ষাৰ যোগেদি শিক্ষক নিযুক্তিৰ ব্যৱস্থা আৰম্ভ হোৱাৰ ফলত সম্পূৰ্ণ মেধাৰ ভিত্তিত শিক্ষকক নিযুক্তি প্ৰদান কৰাটো সম্ভৱ হৈ উঠিছে। ২০১১ চনত দেশৰ ভিতৰত অসমেই একমাত্ৰ ৰাজ্য হিচাপে কোনো ধৰণৰ মৌখিক পৰীক্ষাৰ ব্যৱস্থা নকৰাকৈ মাথোঁ মেধাৰ ভিত্তিতেই ৪০,৭৫৬ গৰাকীকৈ শিক্ষকক নিযুক্তি প্ৰদান কৰি এক ইতিহাস ৰচিছিল। আজি নিযুক্তি প্ৰদান কৰা ৫,১৯০ গৰাকী শিক্ষককে ধৰি এই পৰ্যন্ত মুঠ ১,৫০,৪২৬ গৰাকী শিক্ষকক নিযুক্তি প্ৰদান কৰাটো অসমৰ শিক্ষা জগতৰ বাবে এক যুগান্তকাৰী ঘটনা বুলি তেওঁ অভিহিত কৰে। অহা মাৰ্চৰ আগেয়ে অতিৰিক্ত ১০ সহস্ৰাধিক শিক্ষকক চৰকাৰে নিযুক্তি প্ৰদান কৰিবলৈ সক্ষম হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। টেট শিক্ষকসকলক গংগাৰ মানস পুত্ৰৰ দৰে পৱিত্ৰ বুলি উল্লেখ কৰি নিযুক্তিৰ স্থান বদলিৰ বাবে ৰাজনৈতিক নেতাৰ দুৱাৰে দুৱাৰে ঘূৰি নিজকে কলুষিত নকৰিবলৈও শিক্ষামন্ত্ৰীগৰাকীয়ে নৱনিযুক্ত শিক্ষকসকলক আহ্বান জনায়।

শিক্ষা বিভাগৰ প্ৰধান সচিব বি কল্যাণ চক্ৰৱৰ্তীয়ে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ অনুষ্ঠানত ৰাজ্যৰ শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী ভবেশ কলিতাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, শিক্ষা বিভাগৰ উপদেষ্টা ড° মিহিৰকান্তি চৌধুৰী, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, শিক্ষা বিভাগৰ আয়ুক্ত সচিব প্ৰীতম শইকীয়া, অসম মাধ্যমিক শিক্ষা পৰিষদৰ অধ্যক্ষ ৰমেশ চান্দ জৈন আৰু প্ৰাথমিক শিক্ষা বিভাগৰ সঞ্চালক ড° বিজয়া চৌধুৰীকে ধৰি জ্যেষ্ঠ বিষয়াৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা তিনি শতাধিক নৱনিযুক্ত শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**

**২৮/০৮/২০২০**